**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 15-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

বিজেপিৰ ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি আছে। লখিমপুৰ জিলাত ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচীত আজি বিধায়ক নৱ কুমাৰ দলেৰ লগতে ঢকুৱাখনাৰ বিশিষ্ট নাগৰিক সমাজ, বিভিন্ন দল সংগঠনৰ বিষয়ববীয়া, কাৰ্যকৰ্তা, প্ৰাক্তন সৈনিক, শিক্ষক-কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতিনিধিৰ লগতে সৰ্বসাধাৰণ ৰাইজেও অংশগ্ৰহণ কৰে।

ধেমাজি জিলাত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই যাত্ৰাৰ নেতৃত্ব দিয়ে। চিলাপথাৰত প্ৰাক্তন সেনা জোৱানৰ লগত ত্ৰিৰংগ পতাকা হাতত লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে  সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগুৰ সৈতে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

শিলচৰতো ১১ দিনীয়া ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী পালন কৰা হৈছে। প্ৰবল বৰষুণৰ মাজতো ছাত্ৰ-ছাত্ৰী, ক্ৰীড়া সংগঠন, সাংস্কৃতিক গোষ্ঠী আৰু নাগৰিক সমাজৰ উপস্থিতিত সেনা বাহিনীৰ বীৰত্বপূৰ্ণ প্ৰত্যুত্তৰক সন্মান জনাই ৰাষ্ট্ৰীয় পতাকা হাতত লৈ পদযাত্ৰা কৰা হয়। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই যাত্ৰাত অংশগ্ৰহণ কৰে। যোৰহাটতো জিলা বিজেপিৰ সভাপতি শান্তনু পূজাৰীৰ নেতৃত্বত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়।

oooooo

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি কাজিৰঙাৰ হাতীখুলী চাহবাগিচাত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাগিচাখনৰ কিছু শ্ৰমিকৰ সৈতে আলাপ কৰি শ্ৰমিকসকলৰ সৈতে একেলগে চাহৰ কেঁচা পাত ছিঙে। তেওঁ শ্ৰমিকসকলৰ সুবিধা-অসুবিধাৰ বিষয়েও বুজ লয়। এই চাহ শ্ৰমিকসকলৰ পৰিশ্ৰমৰ ফলতেই সমগ্ৰ ভাৰতৰ মানুহে ৰাতিপুৱাই চাহ খোৱাৰ সৌভাগ্য হয় বুলি শ্ৰী চৌহানে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বোকাখাত সমষ্টিৰ বিধায়ক তথা কৃষি মন্ত্ৰী অতুল বৰা আৰু বোকাখাত সম-জিলাৰ উপায়ুক্তই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সংগ দিয়ে। কাইলৈ মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ কথা। পৰহিলৈ শ্ৰীচৌহানে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

ooooo

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ  বালিজানা চক্ৰ ভাগুৱা গাঁৱত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। ডং শৰ্মাই যাতায়াতৰ ব্যৱস্থা, অন্যান্য সা-সুবিধাকে ধৰি বিভিন্ন দিশৰ বুজ লৈ সকলো কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে দ্বিতীয় এডভাণ্টেজ আচামত কৰা প্ৰতিশ্ৰুতি অনুসৰি বিলাসীপাৰাত তাপবিদ্যুৎ প্ৰকল্পৰ বাবে আবণ্টিত ভূমিও পৰিদৰ্শন কৰে। এই প্ৰকল্পই ১০ হাজাৰো অধিক নিয়োগ সৃষ্টি তথা ৰাজ্যখনৰ শক্তি নিৰাপত্তাৰ দিশত উৎসাহ যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণৰ অংশ হিচাপে জিলাখনৰ ৰাক্ষসিনী  প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ভূমিত শক্তি উদ্যান স্থাপনৰ বাবে  ভূমি পৰিদৰ্শন কৰে। ৰাজ্যত বৰ্ধিত হাতী মানুহৰ সংঘাত সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত ডং শৰ্মাই গোৱালপাৰা জিলাৰ লগতে ৰাজ্যখনৰ বিভিন্ন ঠাইত সৌৰ বেৰাৰ ব্যৱস্থা কৰাৰ উপৰি হাতীৰ খাদ্যৰ বাবে উপযোগী গছপুলি ৰোপণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

ooooo

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ভৈৰৱগঞ্জ নামঘৰত বিশিষ্ট গৱেষক, লেখক ড০ হৰিচৰণ দাসে ৰচনা কৰা সৃষ্টিশীল সাহিত্য-নাটক শীৰ্ষক এখন আলোচনামূলক গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন শংকৰী সংস্কৃতিৰ শিল্পী তথা পাঠক হেমন্ত কুমাৰ দাসে উন্মোচন কৰে। ভৈৰৱগঞ্জ নামঘৰ সমিতিৰ সভাপতিৰ সভাপতিত্বত আয়োজিত এই উন্মোচনী সভাত স্থানীয় ভালেসংখ্যক লোক উপস্থিত থাকে। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী, বিশেষকৈ গৱেষক ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ ৰচনা কৰা এই গ্ৰন্থখনত নাটকৰ বিকাশ, ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকনাট, আংগিক, ধাৰা, প্ৰকাৰ, উপস্থাপন ৰীতি আদিৰ বিষয়ে আলোচনা কৰাৰ লগতে নাটক লিখাৰ উপাদান আদিৰ বিষয়েও বিষদভাৱে আলোচনা কৰা হৈছে।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে এলানি বিশেষ শৃংখলা প্ৰচাৰৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও সৈনিকসকলৰ সন্মানাৰ্থে আজিৰে পৰা বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিবলৈ লৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত আৰু ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰিব।

ooooo

ধেমাজি জিলাৰ জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কমল মেদকৰ আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যায়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত এসপ্তাহ ধৰি উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ থকা মেদকৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬২ বছৰ। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত থকা সৰবৰহী শিক্ষকগৰাকীৰ মৃত্যুত জোনাইত শোকৰ ছাঁ পৰে।

ooooo

সমাপ্ত